NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু কৃষি তথা কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত মঙলবাৰে ৯ কোটি তিনিলাখ খেতিয়কৰ একাউণ্টলৈ প্ৰায় ২০ হাজাৰ কোটি টকা হস্তান্তৰ কৰিব।

২। সাহিত্য একাডেমীয়ে ২০২৪ বৰ্ষৰ সাহিত্য একাডেমী শিশু সাহিত্য পুৰস্কাৰ আৰু সাহিত্য একাডেমী যুৱ পুৰস্কাৰ ঘোষণা কৰিছে।

৩। আইন আৰু ন্যায় মন্ত্ৰালয়ে কাইলৈ কলকাতাত ফৌজদাৰী ন্যায় প্ৰণালীৰ প্ৰশাসনৰ ভাৰতৰ প্ৰগতিশীল পথ শীৰ্ষক এখন সন্মিলনৰ আয়োজন কৰিছে।

৪। ছত্তীশগড়ৰ বাস্তাৰ সংমণ্ডলত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত কমেও ৮ জন মাওবাদী নিহত হয়। ***আৰু***

৫। ভাৰত আজি আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু কৃষি তথা কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত মঙলবাৰে বাৰানসীৰ পৰা ৯ কোটি তিনিলাখ খেতিয়কৰ একাউণ্টলৈ প্ৰায় ২০ হাজাৰ কোটি টকা হস্তান্তৰ কৰিব। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী চৌহানে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, যোৱা ১০ বছৰত ১১ কোটি কৃষকৰ একাউণ্টলৈ তিনি লাখ কোটি টকা হস্তান্তৰ কৰা হৈছে।

মন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীকে প্ৰধানমন্ত্ৰীৰ মঙলবাৰৰ অনুষ্ঠান অংশ ল'বলৈ পত্ৰ প্ৰেৰণ কৰিছে। শ্ৰী চৌহানে কয় যে, গ্ৰামোন্নয়ন আৰু কৃষি তথা কৃষক কল্যাণ মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত তেওঁ মন্ত্ৰালয়ৰ বিষয়াসকলৰ সৈতে কৃষক কল্যাণৰ লগত জড়িত প্ৰতিটো গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনা কৰিছে। নতুন চৰকাৰৰ প্ৰথম ১০০ দিনৰ পৰিকল্পনাৰ অধীনত কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ কাৰ্য পৰিকল্পনাৰ পৰ্যালোচনা চলোৱা বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ প্ৰতিটো সমস্যাই গুৰুত্ব সহকাৰে ল'ব আৰু আঁচনিখনৰ  নীতি-নিয়ন সলনি কৰাৰ আৱশ্যকতা অনুভৱ কৰিলে সংস্কাৰ সাধনো কৰিব।

০০০০০০০০

সাহিত্য একাডেমীয়ে আজি নতুন দিল্লীত ২০২৪ বৰ্ষৰ সাহিত্য একাডেমী শিশু সাহিত্য পুৰস্কাৰ আৰু সাহিত্য একাডেমী যুৱ পুৰস্কাৰ ঘোষণা কৰে। মুঠ ২৪ গৰাকী লেখকক সাহিত্য একাডেমী শিশু সাহিত্য পুৰস্কাৰৰ বাবে আৰু ২৩ গৰাকী লেখকক সাহিত্য একাডেমী যুৱ পুৰস্কাৰৰ বাবে বাচনি কৰা হৈছে। সাহিত্য একাডেমীয়ে কৈছে যে, এই লেখকসকলক ৫০ হাজাৰ টকা আৰু এখন টাম্ৰপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০০

আইন আৰু ন্যায় মন্ত্ৰালয়ে কাইলৈ কলকাতাত ফৌজদাৰী ন্যায় প্ৰণালীৰ প্ৰশাসনৰ ভাৰতৰ প্ৰগতিশীল পথ শীৰ্ষক এখন সন্মিলনৰ আয়োজন কৰিছে। আইন আৰু ন্যায় মন্ত্ৰালয়ে কৈছে যে, ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ অধিনীয়ম ২০২৩ৰ বিশেষ বৈশিষ্টসমূহ আলোচনা আৰু প্ৰশ্নোত্তৰ শিতানৰ মাধ্যমেৰে অৱগত কৰোৱাই এই সন্মিলনৰ মূল উদ্দেশ্যে।

ৰাষ্ট্ৰপতিয়ে যোৱা ডিচেম্বৰত অনুমোদন জনোৱা এই আইন তিনিখন পহিলা জুলাইৰ পৰা বলৱৎ হ'ব। মন্ত্ৰালয়ে কৈছে যে, এই আইন তিনিখনৰ বিষয়ে জনসাধাৰণ বিশেষকৈ আইন জগতৰ বিশিষ্ট ব্যক্তি, আইন বলৱৎকাৰী সংস্থা, শিক্ষাবিদ আৰু আইন পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি উদ্দেশ্যে আইন পৰিক্ৰমা বিভাগে যোৱা দুমাহত নতুন দিল্লী আৰু গুৱাহাটীত দুখন গুৰুত্বপূৰ্ণ সন্মিলন অনুষ্ঠিত কৰিছে।

০০০০০০০০

জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য ৰাষ্ট্ৰসমূহে ইটালীত অনুষ্ঠিত বাৰ্ষিক শীৰ্ষ সন্মিলনৰ কালি অন্তিম দিনা এটা যৌথ বিবৃতি যোগে চীনৰ অসাধু ব্যৱসায় প্ৰথাৰ সন্মুখীন হোৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। এই অসাধু প্ৰথাসমূহে চীনৰ শ্ৰমিক আৰু উদ্যোগসমূহক দুৰ্বল কৰি তুলিছে। জি-ছেভেন ৰাষ্ট্ৰসমূহে লগতে ইউক্ৰেইন বিৰোধী যুঁজৰ বাবে অস্ত্ৰ-শস্ত্ৰ আহৰণ কৰাৰ ক্ষেত্ৰত ৰাছিয়াক সহায় কৰিলে চীনৰ বিত্তীয় প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকীয়াই দিয়ে।

যৌথ বিবৃতিটোত জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীয়ে চীনৰ ক্ষতিসাধন অথবা বিকাশ ব্যাহত কৰা নাই বৰং ব্যাৱসায়সকলক অসাধু প্ৰথাৰ পৰা ৰক্ষা কৰাৰ আৰু সমস্যা সমাধানৰ প্ৰয়াস চলাই আহিছে। জি-ছেভেন ৰাষ্ট্ৰসমূহে নিজৰ বিবৃতিত ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিড'ৰৰ দৰে বিশেষ আন্তঃগাঁথনি প্ৰকল্পসমূহৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। ৰাষ্ট্ৰসংঘৰ পেলেষ্টাইনি শৰনাৰ্থী সংস্থাক যুদ্ধ জৰ্জৰ গাজাত কোনো ধৰণৰ বাধা অবিহনে কাম কৰাৰ অনুমতি প্ৰদান কৰিব লাগে বুলিও জি-ছেভেন ৰাষ্ট্ৰৰ নেতাসকলে  মত প্ৰকাশ কৰিছে।

০০০০০০০০

ছত্তীশগড়ৰ বাস্তাৰ সংমণ্ডলত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত কমেও ৮ জন মাওবাদী নিহত হয়। এই সংঘৰ্ষত বিশেষ কাৰ্যবাহনীৰ এগৰাকী জোৱান শ্বহীদ হয় আৰু অন্য দুগৰাকী সুৰক্ষা কৰ্মী আহত হয়। বাস্তাৰ সংমণ্ডলৰ অবুঝমাড় এলেকাত কেইজনমান মাওবাদী লুকাই থকা বুলি সম্ভেদ লাভ কৰাৰ পাছত বি এছ এফ, আই টি বি পি, জিলা সংৰক্ষিত বাহিনী আৰু বিশেষ কাৰ্যবাহিনীৰ এটা যৌথ দলে তালাচী চলোৱাৰ সময়ত এই সংঘৰ্ষৰ সূত্ৰপাত হয়। সংঘৰ্ষস্থলীৰ পৰা দুটা ৰাইফল, এটা বি জি এল লন্সাৰ আৰু বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হৈছে। অঞ্চলটোত তালাচী অভিযান অব্যাহত আছে।

০০০০০০০০

অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাৰ্জুৱে আজি মন্ত্ৰীসভাৰ সদস্যসকলৰ মাজত দপ্তৰ বিতৰণ কৰে। ১২ জনীয়া ৰাজ্যিক মন্ত্ৰীসভাৰ ৯ গৰাকী নতুন সদস্য আছে। উপ মুখ্যমন্ত্ৰী ছোনা মেইনক বিত্ত, পৰিকল্পনা আৰু বিনিয়োগ তথা শক্তি বিভাগৰ দায়িত্ব দিয়া হৈছে। বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ পাছাং দৰ্জী চোনাক শিক্ষা আৰু গ্ৰামোন্নয়ন, বিউৰাম ৱাহাগেক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বাংকিলঙক পৰিবেশ আৰু বন বিভাগৰ দায়িত্ব অৰ্পন কৰা হৈছে। একেদৰে দাছাংলু পুলত মহিলা আৰু শিশু বিকাশ সাংস্কৃতিক পৰিক্ৰমা বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ দায়িত্ব দিয়া হৈছে।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে জম্মু-কাশ্মীৰৰ সুৰক্ষা পৰিস্থিতি আৰু অমৰনাথ যাত্ৰাৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কাইলৈ এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰিব। বৈঠকত জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল, কেন্দ্ৰীয় গৃহ সচিব, সেনা-আৰক্ষী আৰু জম্মু-কাশ্মীৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব। শ্ৰী শ্বাহে কালি নতুন দিল্লীত গৃহ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে অনুষ্ঠিত বৈঠকত জম্মু-কাশ্মীৰৰ সুৰক্ষা পৰিস্থিতিৰ পৰ্যালোচলান চলাইছিল।

০০০০০০০০

চৰকাৰে সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ সৈতে জড়িত বুলি দাবী কৰা এটা ভুৱা ৱেবছাইট চিনাক্ত কৰিছে। এই ৱেবছাইটোৰ জৰিয়তে চৰকাৰী চাকৰি প্ৰদানৰ দাবী কৰা হৈছিল আৰু পঞ্জীয়ন মাচুল হিচাপে ৪৩৫ টকা বিচৰা হৈছিল। পি আই বিৰ তথ্য সত্যাসত্য শাখাই কৈছে যে এই ৱেবছাইটোৰ চৰকাৰৰ সৈতে কোনো সম্পৰ্ক নাই। socialjustice.gov.in সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ আনুষ্ঠানিক ৱেবচাইট বুলি উল্লেখ কৰা হৈছে।

০০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী এল মুৰুগনে আজি মুম্বাই আন্তঃৰাষ্ট্ৰী চলচ্চিত্ৰ মহোৎসৱত এই বুলি ঘোষণা কৰে যে, চেন্নাইৰ বঁটা বিজয়ী, প্ৰখ্যাত বন্যপ্ৰাণী চলচ্চিত্ৰ নিৰ্মাতা চুবিয়া নাল্লামুথুক এইবাৰৰ আটাইতকৈ অভিলাষপূৰ্ণ ভি শান্তিৰামৰ জীৱনজোৰা কৃতিত্ব বঁটা প্ৰদান কৰা হ'ব। তেওঁ **লিভিং অন দ্য এজ** নামৰ আটাইতকৈ দীৰ্ঘদিনীয়া বন্যপ্ৰাণী ধাৰাবাহিকখনৰ চিত্ৰগ্ৰহণ কৰিছিল।

আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা বতৰাত শ্ৰী মুৰুগনে কয় যে, এই বছৰ প্ৰথমবাৰৰ বাবে এখন তথ্যচিত্ৰ চলচ্চিত্ৰ বজাৰৰ আয়োজন কৰা হৈছে। তেওঁ আৰু লগতে কয় যে, ইয়াৰ দ্বাৰা ছবি নিৰ্মাতাসকলক তেওঁলোকৰ প্ৰকল্পৰ বাবে ক্ৰেতা, পৃষ্ঠপোষকতা আৰু সহযোগি বিচাৰি উলিওৱাৰ মঞ্চ প্ৰদন কৰা হ'ব আৰু ছবি নিৰ্বাণ বৃদ্ধি কৰাত সহায়ক হ'ব।

শ্ৰী মুৰুগনে লগতে এম আই এফ নেশ্যনেল জিঅ'গ্ৰাফিকৰ তথ্যচিত্ৰ **বিলি এণ্ড ম'লি ঃ এন অটাৰ লাভ ষ্ট'ৰীৰ** মুকলি ছবিতো অংশগ্ৰহণ কৰে।

০০০০০০০০

ভাৰত আজি ফ্লৰিডাত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইফালে, আয়াৰলেণ্ডৰ বিৰুদ্ধে লৌডেৰহিলত হ’বলগীয়া খেলখন নেৰা নেপেৰা বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰাত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত স্থান লাভ কৰে। আমেৰিকাই এইবাৰ প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰিছে। ভাৰতৰ পাছত আমেৰিকা ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰা গ্ৰুপ-এৰ দ্বিতীয়টো দল ৰূপে পৰিগণিত হৈছে। ইফাল, পূৰ্বৰ চেম্পিয়ন পাকিস্তান আৰু আয়াৰলেণ্ড প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

০০০০০০০০

যুৱ আৰু ক্ৰীড়া পৰিক্ৰমা মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰীকছ্ ক্ৰীড়া মহোৎসৱত ব্ৰঞ্জৰ পদক লাভ কৰাৰ বাবে ভাৰতীয় মহিলা টেবল টেনিছ্ দলক অভিনন্দন জনাইছে। ড০ মন্দাভিয়াই সামাজিক মাধ্যমযোগে প্ৰতিযোগিতাত প্ৰথমটো পদক অৰ্জন কৰাৰ কৃতিত্ব লাভৰ বাবে মহিলা দলটোক প্ৰশংসা কৰিছে। তেওঁ দলটোৱে দেশক গৌৰৱান্বিত কৰা বুলি মন্তব্য কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে ভৱিষ্যতে খেলুৱৈ কেইগৰাকীৰ সাফল্য কামনা কৰিছে।

০০০০০০০০

সমাপ্ত